No. of Printed Pages : 4 **FAS-01**

# BACHELOR'S DEGREE PROGRAMME (BDP)

## Term-End Examination

## December, 2023

### FAS-01 : FOUNDATION COURSE IN ASSAMESE

*Time : 2 Hours* *Maximum Marks: 50*

ছপা কৰা পৃষ্ঠাৰ সংখ্যা: 4 **FAS-01**

স্নাতক ডিগ্ৰী কাৰ্যসূচী

টাৰ্ম-সমাপ্তি পৰীক্ষা

ডিচেম্বৰ -2023

**FAS-01**: অসমীয়া ফাউণ্ডেছন ক'ৰ্ছ

সময়: *2* ঘন্টা সৰ্বাধিক নম্বৰ: *50*

***টোকা:*** প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক।

ক শাখা

1. নিম্নলিখিত যিকোনো এফাঁকি কবিতাৰ ব্যাখ্যা কৰকঃ 5

(a) প্ৰদ্যুম্ন লিখিল যেৱেশ্বশুৰ বুলিয়া লাজে

মাথে উষা বস্ত্র লৈলা তুলি।
অনিৰুদ্ধ লিখিবাৰদেখি উষা বৰনাৰী
ধৰিবাক চাহে আকোঁৱালি।।

অথবা

ৰজাৰ পোৱালি মই বাস কৰোঁ কপিলী পাৰত
ধুন কৰি এতিয়াও পিন্ধোঁ মই আটিল পাগুৰি এটি
হ'ব পাৰে শিৰৰ কিৰীটি সেয়া বিপাশা পাৰৰ মোৰ পূৰ্ব পুৰুষৰ
চুলিৰ জঁটাত মোৰ এতিয়াও খুচি ৰাখোঁ এখন ধুনীয়া ফণি
মোক তুমি নোপোৱানে নোপোৱানে চিনি?

2. তলৰ প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পত শুদ্ধ চিন (✓) দিয়কঃ 5x1=5

(a) অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্যৰে সাহিত্যিক ৰূপ লাভ কৰে

(i) বৈষ্ণৱ যুগৰ কবিসকলৰ যোগেদি ( )

(ii) প্ৰাক্-বৈষ্ণৱ যুগৰ কবিসকলৰ যোগেদি ( )

(iii) চৰ্যাপদৰ ৰচকসকলৰ যোগেদি ( )

(b) ওনাম কেনে ধৰণৰ উৎসৱ?

(i) কৃষি উৎসৱ ( )

(ii) ধাৰ্মিক উৎসৱ ( )

(iii) বসন্তোৎসৱ ( )

(c) বৌদ্ধ কলাৰ আকৰ্ষণীয় বৈশিষ্ট্য আছিল

(i) শিলৰ পাহাৰ কাটি গুহা নিৰ্মাণ কৰা ( )

(ii) প্ৰস্তৰ মূৰ্তি নিৰ্মাণ কৰা ( )

(iii) স্তম্ভ নির্মাণ কৰা ( )

(d) নৈতিক অধিকাৰসমূহ পৰিচালিত হয়

(i) আইন-আদালতৰ দ্বাৰা ( )

(ii) সংবিধানত সন্নিৱিষ্ট কৰা অধিকাৰৰ দ্বাৰা ( )

(iii) সমাজৰ নীতিবোধৰ দ্বাৰা ( )

(e) বৰৰজা প্ৰমথেশ্বৰী দেৱীৰ নিৰ্দেশক্ৰমে চিত্ৰিত হৈছিল

(i) গীত গোবিন্দ ( )

(ii) আনন্দ লহৰী ( )

(iii) চিত্ৰভাগৱত (দশম স্কন্ধ) ( )

3. অসমৰমানুহৰ খাদ্যাভাস সম্বন্ধে সংক্ষেপে লিখক। 5

অথবা

ভোগালী বিহুৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠানটো কি?

4. যিকোনো পাঁচটাৰ সংক্ষেপে উত্তৰ লিখকঃ 5x2=10

(a) প্ৰথম অসমীয়া ব্যাকৰণ আৰু অভিধান কোনে ৰচনা কৰে?

(b) কম্পিউটাৰৰ প্ৰধান উপাদানসমূহৰ নাম কি?

(c) ভাৰত ত্যাগ আন্দোলন কি?

(d) অনন্ত কন্দলিৰ উচ্ছিষ্ট ভোজন কি?

(e) সাংখ্য দৰ্শনৰ মতে জগতৰ সৃষ্টি কেনেকৈ হয়?

(f) ভাৰতত জনসংখ্যা বৃদ্ধিৰ ফলত কি সমস্যাৰ সৃষ্টি হৈছে?

(g) শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰথম ভাওনাখন কেনেদৰে কৰিছিল?

(h) উচ্চাৰণৰ লগত আখৰ-জোঁটনিৰ সমন্বয় নহ'লে কি হয়?

## খ শাখা

5. বিশেষণ আৰু ক্ৰিয়া-বিশেষণৰ মাজত প্ৰভেদ কি? উদাহৰণেৰে বুজাই লিখক। 5

অথবা

নিমিত্তাৰ্থক ক্ৰিয়া কাক বোলে? উদাহৰণেৰে স্পষ্ট কৰক

6. যিকোনো পাঁচটা খণ্ডবাক্যৰ অৰ্থপূৰ্ণ বাক্য ৰচনা কৰকঃ 5x1=5

সোণৰ চামুচ মুখত লৈ, ভুমুকি মাৰ, আটোম-টোকাৰি, কথা বুলিলে বতাহ, ডাং বৰলা, তাপ মাৰ, লাথ-টকীয়া, হাড়-ভঙা।

7. দূৰদৰ্শনৰ উপকাৰিতা-অপকাৰিতাৰ বিষয়ে চমুকৈ লিখক। 5

8. তলৰ যিকোনো এটা বিষয়ৰ ওপৰত ৰচনা লিখকঃ 10

(a) ভাৰতৰ স্বাধীনতা সংগ্ৰাম

(b) পৰিৱেশ প্ৰদূষণ

(c) অসমৰ বিহু